## প্ৰথম অধ্যায়

# অৰ্থনীতি আৰু আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতি
# (Economics and International Economics)

অৰ্থনীতিয়ে প্ৰতিযোগিতাৰ মাধ্যমত দুষ্প্ৰাপ্য সম্পদ আহৰণৰ কথা আলোচনা কৰে, যেতিয়া সম্পদ আহৰণ সৰ্বাধিক কৰা একমাত্ৰ উদ্দেশ্য হৈ পৰে। আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতি হ'ল অৰ্থনীতিৰ এটা অংশ, যি দুষ্প্ৰাপ্য সম্পদৰ আহৰণ আৰু চাহিদা পূৰণৰ বিষয়ে অধিক বিস্তৃতভাৱে গুৰুত্ব আৰোপ কৰে। এখন বন্ধ অৰ্থনীতিত কাম্য উৎপাদন আৰু কল্যাণ সাধনত বহুতো বাধা থাকে। আন্তঃৰাষ্ট্ৰীয় ভাৱে দ্ৰব্য আৰু সেৱাৰ বিনিময়ে কেৱল কোনো এখন দেশৰে দুষ্প্ৰাপ্য উৎ পাদনশীল সম্পদৰ কাম্য আহৰণতে সহায় কৰা নহয়, ই গোটেই বিশ্বতে সম্পদৰ কাম্য আহৰণতো সহায় কৰে। গতিকে আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতি হ'ল, অৰ্থনীতিৰ সেইটো শাখা যি আন্তঃৰাষ্ট্ৰীয় ভাৱে দ্ৰব্য আৰু সেৱাৰ বিনিময়ৰ বিষয়ে আলোচনা কৰে। অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে ঘাইকৈ বিভিন্ন দেশৰ মাজত দ্ৰব্যসামগ্ৰী বিনিময়ৰ বিষয়ে আলোচনা কৰে। বাস্তৱিকতে কিন্তু, আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে, আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অৰ্থনৈতিক সম্পৰ্কৰ ভেটি হিচাপে কাম কৰে।

আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সম্পৰ্কৰ মৌলিক উপাদান হ'ল বিভিন্ন দেশৰ মাজত অৰ্থনৈতিক আন্তঃনিৰ্ভৰশীলতা। বৰ্তমান সময়ত দেশ সমূহৰ মাজত দিনক দিনে অৰ্থনৈতিক নিৰ্ভৰশীলতা বৃদ্ধি হোৱাটোৱে ইয়াকে সূচায় যে, ব্যাপক মাত্ৰাত মূলধন ব্যৱস্থাপনা কৌশল, কাৰিকৰী কৌশল হস্তান্তৰ হোৱা বুজায়। আন্তঃৰাষ্ট্ৰীয় শ্ৰম আৰু পৰ্য্যটনেও ইয়াকে প্ৰতিনিধিত্ব কৰে যে দেশ সমূহৰ মাজত অৰ্থনৈতিক নিৰ্ভৰশীলতা বৃদ্ধি পাইছে।

দেশসমূহৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতাৰ বৃদ্ধিয়ে দেশসমূহৰ মাজত দ্বিপাক্ষিক আৰু বহুপাক্ষিক আলোচনা সুবিধা বৃদ্ধিৰ কৰাৰ লগতে নীতি প্ৰয়োগৰ মাধ্যমত দেশবিলাকৰ মাজত বাণিজ্য আৰু মূলধনৰ প্ৰবাহত থকা বাধা নাইকিয়া কৰা। ইয়াৰ ফলত, মূলধনৰ প্ৰবাহে এখন নতুন অৰ্থনৈতিক ব্যৱস্থাৰ সূচনা কৰি আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সহযোগিতা বৃদ্ধি কৰিব পৰা যাব।

গতিকে স্পষ্টভাৱে ক'ব পাৰি যে আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে বিভিন্ন দেশৰ মাজত অৰ্থনৈতিক আন্তঃনিৰ্ভৰশীলতাৰ বিষয়ে আলোচনা কৰে। ই বিভিন্ন দেশৰ মাজত দ্ৰব্য আৰু সেৱাৰ প্ৰবাহ, পৰিশোধ আদিৰ বিষয়ে আলোচনা কৰে।

**আভ্যন্তৰীণ আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য** (Inter Regional and International Trade) ঃ

বাণিজ্যই দ্ৰব্যসামগ্ৰী আৰু সেৱাৰ বিনিময়ক সূচায়। এই বিনিময় বিলাক দুজন ব্যক্তিৰ মাজত, একেখন দেশৰ প্ৰতিষ্ঠান অথবা উদ্যোগৰ মাজত বা দুখন বা তাতোধিক দেশৰ মাজত সংঘটিত হ'ব পাৰে। একে দেশৰ ভিতৰতে যেতিয়া বিনিময় সংঘটিত হয় তেতিয়া তাক আভ্যন্তৰীণ ঘৰুৱা অথবা আন্তঃ অঞ্চল বাণিজ্য বুলি কোৱা হয় আৰু যেতিয়া দুখন বা তাতোধিক দেশৰ মাজত বাণিজ্য সংঘটিত হয় তেতিয়া তাক আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বুলি কোৱা হয়।

উদাহৰণস্বৰূপে, ভাৰতবৰ্ষৰ পূব, পশ্চিম, উত্তৰ, দক্ষিণ আৰু কেন্দ্ৰীয় আদি অঞ্চল হিচাপে ভাগ কৰিব পাৰি। ধৰাহওঁক উত্তৰ অঞ্চলে, অন্যান্য অঞ্চললৈ কৃষিজাত সামগ্ৰীৰ যোগান ধৰে আৰু অন্যান্য অঞ্চলৰ পৰা খনিজ আৰু উদ্যোগজাত সামগ্ৰী ক্ৰয় কৰে আৰু এনেধৰণৰ, একেখন দেশৰ বিভিন্ন অঞ্চলৰ মাজত হোৱা ক্ৰয়-বিক্ৰয়কো আভ্যন্তৰীণ বা আন্তঃ আঞ্চলিক বাণিজ্য বুলি কোৱা হয়। আনহাতেদি ভাৰতবৰ্ষই আমেৰিকা আৰু ইউৰোপীয় দেশবিলাকলৈ কপাহী বস্ত্ৰ, লোৰ আকৰ জাপান আৰু মধ্যপূব দেশবিলাকলৈ, যোগান ধৰা আৰু আমেৰিকাৰ পৰা ঘেঁহু, ইৰাণৰ পৰা খাৰুৱা তেল আৰু জাপান পৰা বৈদ্যুতিক সামগ্ৰী ক্ৰয় বিক্ৰয় বিভিন্ন দেশৰ মাজত সংঘটিত হয় আৰু এই বিষয়বিলাক আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিষয়বস্তুৰ অন্তৰ্ভুক্ত হয়।

**আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ পৰিসৰ আৰু বিষয়বস্তু ঃ (Scope and Comoponents of International Economics)**

আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে সাধাৰণতে ৰাষ্ট্ৰবিলাকৰ অৰ্থনৈতিক পৰনিৰ্ভৰশীলতা বিষয়বিলাক আলোচনা কৰে, সেইবাবে এই অৰ্থনীতিয়ে ৰাষ্ট্ৰবিলাকৰ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰনিৰ্ভৰশীলতা (interdependence) দ্ৰব্য আৰু সেৱাৰ বিনিয়ম, আন্তঃৰাষ্ট্ৰীয় পৰিশোধ আৰু গ্ৰহণ, বাণিজ্যিক আৰু অনান্য সম্পৰ্কিত নীতি আৰু বাণিজ্য আৰু বিত্তীয় বিষয়ক বহু পাক্ষিক অনুষ্ঠান আদি বিষয়বিলাক স্পষ্ট কৰি দিয়া উচিত। আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ প্ৰধান বিষয়বস্তু আৰু পৰিসৰৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা হ'ল-

**(১) আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ব (Theory of International Trade) ঃ**

আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিক প্ৰধানকৈ দমন কৰি ৰাখিছে বাণিজ্য তত্বই। এই তত্ব বিলাকে বাণিজ্যৰ ভিত্তি আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সংঘটিত হোৱা কাৰণৰ ওপৰত গুৰুত্ব দিয়ে। বাণিজ্য তত্বৰ সম্পূৰ্ণ গাঠনিটো নিৰ্ভৰ কৰিছে সংস্থাপিত তুলনামূলক ব্যয়ৰ নীতিৰ সুবিধাৰ ওপৰত। বাণিজ্যৰ আধুনিক বিশুদ্ধ তত্ব অথবা আধুনিক তত্বই বাণিজ্যৰ সংস্থাপিত তত্বক পৰিবৰ্তন কৰিবৰ বাবে চেষ্টা চলাইছে। আধুনিক তত্ব প্ৰয়োগকাৰীসকলে অধিক শৃংখলাবদ্ধ আৰু বৈজ্ঞানিকসন্মতভাৱে (অনুসন্ধান কৰি) বাণিজ্যিক সম্পৰ্ক, বাণিজ্যৰ

পৰা আহৰণ, আৰু বৃদ্ধি আৰু কল্যাণত আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতি সম্পৰ্কীয় বিষয়বিলাক অনুসন্ধান কৰো। তেওঁলোকে স্থৈতিক তুলনামূলক সুবিধা তত্বক ব্যাপক পৰিবৰ্তনশীল তত্বলৈ পৰিবৰ্তন কৰিছে, পৰিবৰ্তনশীল উপাদান মূলধনৰ প্ৰবাহ, জনসংখ্যা, কাৰিকৰী প্ৰগতি আৰু অৰ্থনৈতিক বৃদ্ধিৰ বিশ্লেষণ আগবঢ়াই।

### (২) বাণিজ্যিক নীতিৰ তত্ব (Thory of Commercial Policy) ঃ

আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিষয়বস্তু হ'ল বাণিজ্যৰ ওপৰত শুল্ক আৰু অনা শুল্কৰ প্ৰভাৱ। যুদ্ধোত্তৰ পাছৰ সময়ছোৱাত আঞ্চলিক অৰ্থনৈতিক গোট সমূহে গুৰুত্বপূৰ্ণ উন্নয়ন সাধন কৰিছে। শুল্ক সংঘৰ তত্বই সাম্প্ৰতিক দশকটোত শিক্ষাবিদ আৰু নিবন্ধকাৰসকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

### (৩) বৈদেশিক বিনিময় (Foreign Exchange) ঃ

যিহেতু আন্তঃৰাষ্ট্ৰীয় ক্ৰয়-বিক্ৰয় বিভিন্ন মুদ্ৰাৰ মাধ্যমত সম্পন্ন কৰা হয়, বাবে বিভিন্ন মুদ্ৰাৰ বিনিময় মূল্য নিৰ্ধাৰণ কৰিবলগা হয়। আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে, বিনিময় হাৰ নিধাৰণৰ তত্ব, বিনিময় হাৰৰ ব্যৱস্থা, বৈদেশিক বিনিময় বজাৰৰ চৰ্তাৱলী আৰু বিনিময় নিয়ন্ত্ৰণ সম্পৰ্কীয় বিষয় আদি আলোচনা কৰে।

### (৪) পৰিশোধৰ সমতা (Blance of Payments) ঃ

পৰিশোধৰ সমতা হ'ল, দ্ৰব্যসামগ্ৰী সেৱা আৰু মূলধন ক্ৰয়-বিক্ৰয়ৰ ফলস্বৰূপে কোনো এখন দেশে আন দেশৰ পৰা পাব লগা আৰু অন্য দেশক পৰিশোধ কৰিবলগীয়া হিচাপৰ সম্পূৰ্ণ ব্যাখ্যা। আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে পৰিশোধৰ সমতাৰ সকলো দিশ আলোচনা কৰে আৰু বিভিন্ন মুদ্ৰাৰ মানত পৰিশোধৰ অভাৰসাম্যতা আঁতৰোৱাৰ ক্ষেত্ৰত বিকল্প ব্যৱস্থাৰ উপায় বিচাৰি উলিয়াই। তাৰোপৰি, পৰিশোধৰ অভাৰসাম্যতাই কোনো এখন দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত আৰু সেই দেশৰ মানুহৰ কল্যাণৰ ওপৰত কেনে প্ৰভাৱ পৰে তাক পৰীক্ষা কৰে।

### (৫) আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সংস্থা (International Economic institutions) ঃ

দ্বিতীয় যুদ্ধৰ পাছত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক আনুষ্ঠানিক গাঁথনি সৃষ্টি কৰা হৈছিল যাতে বিনিময় হাৰত স্থিৰতাৰ সমস্যা, আন্তঃৰাষ্ট্ৰীয় পৰিশোধৰ অভাৰসাম্যতাৰ সমাধান কৰা, উন্নয়ন আৰু ঘাটি পূৰাবৰ বাবে আন্তঃৰাষ্ট্ৰীয় তাৰল্যতাৰ নাটনিৰ সমস্যা আদি আলোচনা কৰা। প্ৰখ্যাত আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানবিলাক হ'ল- আন্তৰাষ্ট্ৰীয় উন্নয়ন আৰু পুনৰগঠনৰ আন্তঃৰাষ্ট্ৰীয় বেংক (International Bank for Reconstruction and Development), আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (International Monetary Fund), আন্তঃৰাষ্ট্ৰীয় উন্নয়ন কৰ্তৃপক্ষ (International Devlopment Authority), আন্তৰাষ্ট্ৰীয়